**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ হংসলপুৰত টি ডি এছ্ লিথিয়াম - আয়ন বেটেৰি প্ৰকল্পত হাইব্ৰীড বেটেৰী ইলেক্ট্ৰডৰ প্ৰস্তুতকৰণৰ শুভাৰম্ভ কৰে।

২। বিধি বলৱৎকাৰী সঞ্চালকালয়য়ে দিল্লীৰ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী সৌৰভ ভৰদ্বাজৰ বাসগৃহকে ধৰি দিল্লী তথা ৰাজধানী চহৰ অঞ্চলৰ ১৩ টা স্থানত তালাচী চলাইছে।

৩। দেশৰ উচ্চ ন্যায়ালয়সমূহত শুনানি সম্পন্ন হোৱাৰ পাছতো ৰায়দান স্থগিত ৰখা বিষয়ত সৰ্বোচ্চ ন্যায়ালয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে।

৪। ইউক্ৰেইনৰ স্বাধীনতা দিৱস উপলক্ষে আন্তৰিক অভিনন্দন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে ধন্যবাদ জনাইছে।

আৰু

৫। ইউ এছ্ অ'পেন টেনিছ প্ৰতিযোগিতাত স্পেইনৰ কাৰ্ল'ছ্ আলকাৰাজে আমেৰিকাৰ ৰেইলী অপেলকাক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাৰতৰ মেক ইন ইণ্ডিয়া যাত্ৰাত আজি এটা নতুন অধ্যায় যোগ হ'ল আৰু আজিৰ দিনটো দেশৰ মেক ইন ইণ্ডিয়া তথা 'বিশ্বৰ বাবে নিৰ্মাণ' লক্ষ্যৰ এটা গুৰুত্বপূৰ্ণ দিন হিচাপে পৰিগণিত হ'ল। গুজৰাটৰ হংসলপুৰত টি ডি এছ্ লিথিয়াম - আয়ন বেটেৰি প্ৰকল্পত হাইব্ৰীড বেটেৰী ইলেক্ট্ৰডৰ প্ৰস্তুতকৰণৰ শুভাৰম্ভ কৰি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে কয়। শ্ৰী মোদীয়ে কয়, যে ভাৰতৰ গণতন্ত্ৰৰ শক্তি, জনগাঁথনিৰ সুবিধা আৰু দক্ষ কৰ্মীৰ শক্তি আছে। তেওঁ কয়, যে মাৰুতি চুজুকীৰ দৰে কোম্পানী মেক ইন ইণ্ডিয়াৰ ব্ৰেণ্ড এম্বেছাদৰত পৰিণত হৈছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে দেশত নিৰ্মিত বেটাৰী ইলেক্ট্ৰিক গাড়ী 'ই-ভিটাৰা'ৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই গাড়ীখন ইউৰোপ আৰু জাপানকে ধৰি বিশ্বৰ ১১ খনৰো অধিক দেশলৈ ৰপ্তানি কৰা হ'ব। গুজৰাটলৈ দুদিনীয়া ভ্ৰমণসূচীৰে যোৱা প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদৰ হংসলপুৰত স্থাপন কৰা ছুজুকি মটৰ্ছৰ প্ৰকল্পত আয়োজিত প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। পৰিষ্কাৰ শক্তিত ভাৰতৰ আত্মনিৰ্ভৰশীলতাক গৌৰৱেৰে ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে হংসলপুৰৰ টি ডি এছ্ লিথিয়াম - আয়ন বেটেৰি প্ৰকল্পত স্থানীয়ভাৱে তৈয়াৰ কৰা হাইব্ৰীড বেটেৰি মুকলি কৰে। টচিবা, ডেনছ' আৰু ছুজুকিৰ যৌথ উদ্যোগত স্থাপিত এই প্ৰকল্পটোৱে ঘৰুৱা নিৰ্মাণ আৰু পৰিষ্কাৰ শক্তি উদ্ভাৱনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰচেষ্টা আৰু সেউজ পৰিৱেশ গঠনৰ ক্ষেত্ৰত আজিৰ দিনটো এটা বিশেষ দিন হিচাপে পৰিগণিত হৈছে।

ooooooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়, ই ডিয়ে আজি দিল্লীৰ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী সৌৰভ ভৰদ্বাজৰ বাসগৃহকে ধৰি দিল্লী তথা ৰাজধানী চহৰ অঞ্চলৰ ১৩ টা স্থানত তালাচী চলায়। দিল্লী হস্পিতাল নিৰ্মাণ কেলেংকাৰী সন্দৰ্ভত কেন্দ্ৰীয় সংস্থাটোৱে এই তালাচী চলাইছে। আম আদমী পাৰ্টীৰ চৰকাৰৰ আমোলত দিল্লীত হস্পিতাল নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ উঠিছিল। এই সন্দৰ্ভত দিল্লী আৰক্ষীয়ে দুৰ্নীতি বিৰোধী শাখাই প্ৰাক্তন মন্ত্ৰী সৌৰভ ভৰদ্বাজৰ লগতে একাংশ ঠিকাদাৰ আৰু চৰকাৰী বিষয়াৰ বিৰুদ্ধে এফ আই আৰ দাখিল কৰিছিল।

ই ডিৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি তদন্ত কালত উদ্ধাৰ হোৱা কেতবোৰ সামগ্ৰী আৰু বৃহৎ দুৰ্নীতিৰ অভিযোগেৰে দাখিল হোৱা এফ আই আৰৰ ভিত্তিতে এই তালাচী চলোৱা হৈছে। তালাচী চলোৱা দলটোৱে সৌৰভ ভৰদ্বাজৰ বাসগৃহৰ

চৌহদ ঘেৰি লোৱাৰ লগতে হস্পিটাল নিৰ্মাণ প্ৰকল্পৰ লগত জড়িত ঠিকাদাৰ আৰু চৰকাৰী বিষয়াসকলৰ বাসগৃহতো অভিযান চলায়।

০০০০০০০০০

দেশৰ উচ্চ ন্যায়ালয়সমূহত শুনানি সম্পন্ন হোৱাৰ পাছতো ৰায়দান স্থগিত ৰখা বিষয়ত সৰ্বোচ্চ ন্যায়ালয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে সতৰ্ক কৰি দিছে যে এনেকুৱা পৰিস্থিতিত সৰ্ব-সাধাৰণৰ ন্যায়িক ব্যৱস্থাটোৰ প্ৰতি আস্থা আৰু বিশ্বাস হ্ৰাস হ'ব। ন্যায়াধীশ সঞ্জয় কেৰল আৰু ন্যায়াধীশ প্ৰশান্ত কুমাৰ মিশ্ৰৰ খণ্ডপীঠে মত প্ৰকাশ কৰে যে যদিহে স্থগিত ৰখাৰ তিনিমাহৰ ভিতৰত ৰায়দান ঘোষণা কৰা নহয়, তেন্তে পঞ্জীয়ক প্ৰধানে গোচৰটো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অৱগত কৰিব লাগিব আৰু মুখ্য ন্যায়াধীশে সংশ্লিষ্ট খণ্ডপীঠক দুসপ্তাহৰ ভিতৰতে ৰায়দান ঘোষণাৰ নিৰ্দেশ দিব। ন্যায়াধীশদ্বয়ে কয়, যে তেতিয়াও যদি ৰায়দান ঘোষণা নহয়, তেন্তে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে বিষয়টো আনে এখন খণ্ডপীঠক অৰ্পন কৰিব। ন্যায়াধীশদ্বয়ে লগতে কয়, যে প্ৰতিখন উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক প্ৰধানে মুখ্য ন্যায়াধীশক সংশ্লিষ্ট মাহত পূৰ্বে স্থগিত ৰখা ৰায়দান ঘোষণা নকৰা গোচৰসমূহৰ তালিকা দাখিল কৰিব লাগিব আৰু এই প্ৰক্ৰিয়া তিনি মাহলৈকে অব্যাহত ৰাখিব লাগিব।

০০০০০০০০০

ইউক্ৰেইনৰ স্বাধীনতা দিৱস উপলক্ষে আন্তৰিক অভিনন্দন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে ধন্যবাদ জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত জেলেনস্কিয়ে শান্তি আৰু আলোচনাৰ ক্ষেত্ৰত থকা ভাৰতৰ নিষ্ঠাক প্ৰশংসা কৰে। তেওঁ কয়, যে বিশ্বই ৰাছিয়া-ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ অন্ত পেলাই বৰ্তমান শান্তি প্ৰতিষ্ঠা কৰিবলৈ কাম কৰি আছে। ইউক্ৰেইনৰ প্ৰতি ভাৰতৰ সমৰ্থন অব্যাহত থাকিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰী জেলেনস্কিয়ে কয়, যে শক্তিশালী কূটনৈতিক কাম-কাজে গোলকীয় নিৰাপত্তা নিশ্চিত কৰাত সহায় কৰিব। তেওঁ ভাৰতৰ স্বাধীনতা দিৱসত শুভেচ্ছা জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধন্যবাদ জনাই প্ৰেৰণ কৰা এখন পত্ৰও জেলেন্স্কিয়ে বাৰ্তাটোৰ লগত প্ৰকাশ কৰে।

০০০০০০০০০

চীফ অফ দিফেঞ্চ ষ্টাফ জেনেৰেল অনিল চৌহানে কয় যে ভাৰতৰ নিজা প্ৰতিৰক্ষা ব্যৱস্থা 'সুদৰ্শন চক্ৰ'ই কৌশলগত, অসামৰিক আৰু ৰাষ্ট্ৰীয়ভাৱে গুৰুত্বপূৰ্ণ স্থানসমূহক সুৰক্ষা প্ৰদান কৰিব যিয়ে ঢাল আৰু তৰোৱালৰ দুয়োটা কামেই কৰিব ǀ আজি মধ্যপ্ৰদেশৰ আৰ্মী ৱাৰ কলেজত অনুস্থিত এখন সভাত অংশগ্ৰহণ কৰি জেনেৰেল চৌহানে কয় যে এই ব্যৱস্থাত শক্তিশালী আন্তঃগাঁথনি আৰু প্ৰক্ৰিয়াৰ বিকাশৰ প্ৰয়োজনৰ বাবে শত্ৰুৰ এয়াৰ ভেক্টৰ ধৰা পেলোৱা , আহৰণ কৰা, আৰু নিষ্ক্ৰিয় কৰিব ǀ জেনেৰেল চৌহানে কয় যে অপাৰেচন সিন্দুৰ এক আধুনিক সংঘাত যিয়ে বহু শিক্ষা প্ৰদান কৰিছে আৰু , ইয়াৰে কেইবাটাও ইতিমধ্যে কাৰ্যকৰী কৰা হৈছে, আনহাতে আন কিছুমান চলি আছেǀ

000000000

উত্তৰ আৰু মধ্য ভিয়েটনামত সাগৰীয় ধুমুহা কাজিকিয়ে প্ৰৱেশ কৰাৰ ফলত কমেও তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দহজন লোক আহত হৈছে ǀ এই ধুমুহাৰ ফলত প্ৰচণ্ড বৰষুণ , প্ৰচণ্ড বতাহ আৰু ব্যাপক বানপানীৰ সৃষ্টি হৈছেǀ ভিয়েটনামৰ কৃষি আৰু পৰিৱেশ মন্ত্ৰালয়ৰ তথ্য অনুসৰি এই ধুমুহাই ৬৮০০ৰো অধিক ঘৰৰ ক্ষতিসাধন কৰে, প্ৰায় ৩১ হাজাৰ হেক্টৰ শস্য জলমগ্ন হয় আৰু প্ৰায় ১৮ হাজাৰ গছ ভাঙি পৰেǀ ধুমুহাৰ প্ৰভাৱত শক্তি আন্তঃগাঁথনিয়ে আটাইটকৈ ক্ষতিগ্ৰস্ত হয় ǀ ইয়াৰ ফলত ৩৩১টা বিদ্যুৎ খুঁটা খহি পৰে আৰু প্ৰায় ১৩ লাখ গ্ৰাহক বিদ্যুৎ সংযোগ বিচ্ছিন্নতাৰ ফলত ক্ষতিগ্ৰস্ত হয়ǀ দেশখনৰ কেন্দ্ৰীয় অঞ্চলত বিমান আৰু ৰেল সেৱা সাময়িক ভাৱে বন্ধ কৰি দিয়া হয় , আৰু হা টিন প্ৰদেশত পথ যোগাযোগ বন্ধ কৰা হয় ǀ দেশখনত পুনৰুদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত আছেǀ

০০০০০০০০০

চৰকাৰে চৰ্দাৰ বল্লভ ভাই পেটেল আৰু জনজাতি নেতা বীৰচা মুণ্ডাৰ ১৫০ বছৰীয়া জয়ন্তীৰ লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্দেশ্যে তিনিখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছে। সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই তিনিওখন সমিতিৰে অধ্যক্ষ হিচাপে থাকিব। সমিতিকেইখনে দেশৰ বিভিন্ন প্ৰান্তত এই কাৰ্যসূচী উদযাপনৰ উদ্দেশ্যে বিভিন্ন কাম-কাজৰ তদাৰক কৰিব।

০০০০০০০০০

মুম্বাইত অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈকে ভাৰতীয় সামুদ্ৰিক সপ্তাহ অনুষ্ঠিত হ'ব। এশৰো অধিক দেশৰ প্ৰায় এক লাখ প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। চেন্নাইত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত জাহাজ, বন্দৰ আৰু জলপথ মন্ত্ৰালয়ৰ সচিব টি কে ৰামচন্দ্ৰনে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই অনুষ্ঠানে দেশ-বিদেশৰ নেতাসকলক একত্ৰিত কৰাৰ লগতে আলোচনা, উদ্ভাৱন আৰু নীতিগত কাম-কাজৰ বাবে উৎসাহিত কৰিব।

০০০০০

কেৰালাবাসীয়ে আজি আথম উদযাপন কৰিছে। ই হৈছে ওনাম উৎসৱৰ আনুষ্ঠানিক আৰম্ভণি। আজিৰ পৰা মানুহে ঘৰৰ সন্মুখত ফুলৰ কাৰ্পেট আঠপুক্কালাম তৈয়াৰ কৰিবলৈ আৰম্ভ কৰে আৰু ই থিৰুভোনামলৈকে চলি থাকে। ত্ৰিপুনিথুৰাত আজি বিখ্যাত অথচময়ম শোভাযাত্ৰা অনুষ্ঠিত হয় । কেৰালাৰ চহকী সংস্কৃতি আৰু ঐতিহ্য প্ৰদৰ্শন কৰা বিভিন্ন পৰম্পৰাগত শিল্পকলা এই বৰ্ণিল পেৰেডৰ অংশ হ'ব । অথচমায়মৰ লগে লগে ৰাজ্যজুৰি বিয়পি পৰিছে উৎসৱমুখৰ আৱেগ । বাণিজ্য আৰু বাণিজ্য খণ্ডইও বিশাল ৰেহাই আৰু অফাৰৰ সৈতে সাজু হৈছে। চৰকাৰীভাৱে পৰিচালিত ওনাম মেলাও চলি আছে।

0000

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাত স্পেইনৰ কাৰ্ল'ছ আলকাৰাজে আমেৰিকাৰ ৰেইলী অপেলকাক ৬-৪, ৭-৫, ৬-৪ৰ পোনপটীয়া ছেটত পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে। স্পেইনৰ খেলুৱৈগৰাকীয়ে দ্বিতীয় বাৰৰ বাবে ইউ এছ অ'পেন খিতাপ তথা ষষ্ঠটো গ্ৰেণ্ডশ্লেম খিতাপ লাভৰ লক্ষ্যৰে দ্বিতীয় ৰাউণ্ডত ইটালীৰ মাট্টিয়া বেলুচিৰ বিৰুদ্ধে খেলিব।

ইপিনে, ২০২২ চনৰ ৰানাৰ্ছ আপ নৰৱেৰ কেছপাৰ ৰুডে অষ্ট্ৰেলিয়াৰ চেবাষ্টিয়ান অফনাৰক ৬-১, ৬-২, ৭-৬ ছেটত পৰাজিত কৰে। পৰৱৰ্তী ৰাউণ্ডত ৰুডে বেলজিয়ামৰ ৰাফেল কলিগননৰ বিৰুদ্ধে খেলিব। ব্ৰিটেইনৰ জেক ড্ৰেপাৰেও আৰ্জেণ্টিনাৰ ফেডেৰিক' অগাষ্টিন গোমেজক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

০০০০০০০০০

সমাপ্ত